# মৰূদ্যান

অৱশেষত আহি পালোঁ এখন শান্ত সেউজীয়া সমতল, নাজানো ক'ত, নাজানো কেনেকৈ, নাজানো কিয়। সংঘাত-জৰ্জৰ পাৰ্থিৱ জীৱনৰপৰা যি আকুল অব্যাহতি বিচাৰি আছিলোঁ ইমান দিনে, সেয়ে যেন এতিয়া স্বচ্ছন্দভাৱে চকুৰ সমুখতে বাস্তৱায়িত। ভূমিত ভৰি দিয়েই অনুভৱ কৰিলোঁ যে এই বিস্তীৰ্ণ কোমল ঘাঁহৰ দলিচাখন কিন্তু ঘাঁহ নহয়, ঘাঁহৰদৰে কৃত্ৰিম কিবা (খেলপথাৰত যেনেকৈ থাকে কৃত্ৰিম 'এষ্ট্ৰ'-টাৰ্ফ') আৰু মুকলি ঠাইবোৰৰ মাজে-মাজে এই যে সৰু-ডাঙৰ জোপোহা আৰু দেৱদাৰুগছ, সেইবোৰ কিন্তু দেৱদাৰু নহয়, দেৱদাৰু সদৃশ অন্য কিবা। ঠাইখিনিত উপনীত হোৱাৰ লগে-লগেই যেন সমস্ত দেহ-মনলৈ আহি গ'ল এক অভূতপূৰ্ব স্বস্তি, জীৱন-সংগ্ৰামৰ ক্লান্তি যেন হৈ গ'ল বিস্মৃত, তাৰ ঠাইত যেন ক'ৰবাৰ ৰিব্‌ৰিব্ জুৰ মলয়াই শাঁত পেলাই দি গ'ল সমস্ত শৰীৰ আৰু সমস্ত সত্তা। কিমান সময় সমাহিত হৈ থিয় দি আছিলোঁ ক'ব নোৱাৰোঁ, অনুভৱ কৰিলোঁ যে অলপ বহিবৰ ইচ্ছা হৈছে, লগে-লগেই যেন কাষৰ ঘন জোপোহা এটা সাৱলীলভাৱে আগুৱাই আহিল মোৰ ওচৰলৈ যেন বতাহত, কিন্তু আচলতে বতাহ অলপো নাই, গছ-পাত নিস্পন্দ! জোপোহাটোত হাত দি চালোঁ, মোৰ ওজন বহন কৰিব পাৰিব—বহিলোঁ। নিস্তব্ধ, কোনো চৰাই-চিৰিকটি বা পোক-পতংগৰ কিচিৰ-মিচিৰ নাই, ধাৰণা হ'ল যেন মোৰ সমুখৰ 'দেৱদাৰু'জোপাই সমুখলৈ হালি কিবা এটা ক'লে, অস্ফুট কিন্তু বাংময়, আৰু এইবাৰো নুবুজিলোঁ এয়া দৃষ্টিবিভ্ৰম নে অইন কিবা, কিয়নো তাৰ শাখা-প্ৰশাখাবোৰ আন্দোলিত কৰিবলৈ আৱহমণ্ডলত কোনো বায়ুপ্ৰৱাহ নাই। হয়তো ইয়াত এয়েই স্বাভাৱিক, ইয়াত গতিহীনতাৰপৰাই আহে গতিময়তা, হয়তো এনেকুৱাই ইয়াৰ প্ৰাকৃতিক বিধান। অনুভৱ কৰিলোঁ যেন ক্ষীণ এটা ভোকৰ ভাব আহিছে, ভোক আৰু পিয়াহ, দেখিলোঁ মই বহি থকা জোপোহাটোৰ দুকাষৰপৰা দুডাল দেৱদাৰুৰ ডাল আৰু পাত হালি আহি মোৰ সমুখত ৰ'ল, ডাল-পাতবোৰ এটা-এটাকৈ আঁতৰি গৈ যেন ভিতৰত সৰু গোল ঠাই এটুকুৰা মুকলি কৰি দিলে, নাকলৈ আহিল এটা অচিনাকি গোন্ধ, অনিৰ্ণেয় আৰু অবৰ্ণনীয়, কিন্তু যেন ৰসনা উদ্ৰেককাৰী পৰম সুস্বাদু, অজানিতে মোৰ মুখ মেল খালে, যেন পৰম পৰিতৃপ্তিৰে টানি আনিলোঁ সেই গোন্ধ মোৰ ভিতৰলৈ, ৰ'লোঁ, বুজিলোঁ এই পৰিপুষ্টিৰে প্ৰশমিত হৈছে মোৰ ভোক, মোৰ পিয়াহ, মুখ বন্ধ কৰিলোঁ—এফলীয়া হৈ যোৱা ডাল-পাতবোৰ আকৌ আহি নিজ-নিজ স্থানত বহিল, গছ দুডালে যেন সমুখলৈ সামান্য হালি অভিবাদন কৰিলে, তাৰপাছত যেন আকৌ বতাহৰ বা-ত আগৰ ঠাইত গৈ ৰ'ল, আগৰ সেই নিশ্চল দৃশ্যপট।

মনত কোনো সচেতন ভাব খেলি নগ'ল, কিন্তু ক'ৰবাত হৃদয়ংগম কৰিলোঁ যে মই ইয়াত এজন সমাদৃত অতিথি, মই ইয়াত স্বাগত, মোৰ উপস্থিতিয়ে উৎপন্ন কৰা নাই কোনো সন্দেহ, কোনো শত্ৰুতা, কোনো সতৰ্কতা, বৰং ইয়াত মোক আঁকোৱালি লৈছে সৌহাৰ্দ্য আৰু সম্প্ৰীতিৰ এক সুশীল পৰিমণ্ডললৈ। এইটো সম্ভৱ মাথোঁ কোনো সুসভ্য সমাজত, য'ত সকলো প্ৰাণীৰ বাবেই 'বসুধৈৱ কুটুম্বকম', কোনো সুউচ্চ সভ্যতাত। আৰু সঁচাকৈ এই সভ্যতা হ'ব লাগিব অত্যুচ্চ, কিয়নো এই দৃশ্যপট, এই গতিহীন গতিবিধি হ'ব পাৰে অলীক, হ'ব পাৰে ভুৱা, হ'ব পাৰে ভেল্‌কি, হ'ব পাৰে মাথোঁ সুচতুৰ সন্মোহন, কিন্তু এইবোৰ সৃষ্টি কৰিছে আৰু নিয়ন্ত্ৰণ কৰিছে নিশ্চয় কোনো উৎকৃষ্ট বিজ্ঞান-প্ৰযুক্তিয়ে, অৰ্থাৎ আমাৰ পৃথিৱীৰ মানুহতকৈ বহু-বহু উন্নত কোনো সভ্যতাৰ প্ৰাণীয়ে, যাৰ বিৱৰ্তন ঘটিছে হয়তো আমাৰ লাখ-লাখ বছৰ আগৰেপৰা, আৰু শতাব্দীৰ পাছত শতাব্দী ইমান সুদীৰ্ঘ সময় যে এই সভ্যতা বৰ্তি আছে, সিয়েই প্ৰমাণ কৰে যে এই সভ্যতা অকল বিজ্ঞান-প্ৰযুক্তিতে নহয়, নৈতিকতাৰ ক্ষেত্ৰতো আমাতকৈ বহু ওপৰত। কোনো সভ্যতাত প্ৰযুক্তি আৰু অনৈতিকতা একেলগে থাকিব নোৱাৰে,

আভ্যন্তৰীণ দ্বন্দ্বত তেনেকুৰা সমাজ ধ্বংস হৈ যাব, যেনেকৈ বিজ্ঞান-প্ৰযুক্তিৰ উন্নয়নে পৃথিৱীৰ মানুহক পাৰমাণৱিক যুদ্ধ আৰু বিষক্ৰিয়াৰ ব্যাপ্তিৰে ধ্বংসৰ মুখলৈ ঠেলি নি আছে অহৰহ। সুসভ্য, সুস্থিৰ সভ্যতা হ'ব লাগিব লোভ, দ্বেষ আৰু হিংস্ৰতাৰপৰা মুক্ত, কিন্তু আমাৰ ভীতিবিহ্বল পৃথিৱী এতিয়াও এখন আদিম অসভ্য বৰ্বৰ বধ্যভূমি—

কোৱা হয় যে এনেকুৱা অকৃত্ৰিম উচ্চতৰ সভ্যতাৰ সন্মুখীন হ'লে আমি এটা 'সাংস্কৃতিক শ্বক্' পাম, যিটো আমি সহ্য কৰিব নোৱাৰিম, আমি লুপ্ত হৈ যাম। কিন্তু এতিয়া য'ত মই বহি আছোঁ, তাত তো মোৰ মনলৈ অহা নাই কোনো বিলুপ্তিৰ বিপদ-সংকেত, বৰং মোৰ মনলৈ ভাহি আহিছে শ্বেইক্সপীয়েৰৰ দুটা শাৰী ঃ

***After life's fitful fever***
***He sleeps well,***

মাথোঁ এই ***sleep*** বা নিদ্ৰা-চিৰনিদ্ৰাৰ সুষুপ্তি নহয়, বৰং ভাগৰ পলুৱাই ল'বলৈ মৰা ঘুমটি, সতেজ হৈ সাৰ পাই উঠিবৰ বাবেই এই টোপনি—

নাজানো, ক'ত। ক'ত আছে এনেকুৱা এখন সুশীল সমতল, সেউজীয়া গছ-গছনিৰে সুশোভন? আমাৰ এই পৃথিৱীত? কিন্তু আমাৰ পৃথিৱীত তো এনেকুৱা এখন সমভূমি থকাৰ কথা আমি শুনা নাই, আৰু আজিতো পৃথিৱীত অনাৱিষ্কৃত অঞ্চল খুব কমেই আছে—হয়তো এতিয়াও কিবাকৈ মানুহৰ চকুত নপৰাকৈ থাকি গৈছে কোনো দুৰ্ভেদ্য ঘন অৰণ্যৰ মাজত এটুকুৰা বিস্তীৰ্ণ সমভূমি? কিন্তু দূৰ-সন্ধানী উপগ্ৰহৰ দৃষ্টিৰপৰা লুকাই থাকিব পাৰেনে এনেকুৱা এডোখৰ ভূমি? আমাৰ নিকটতম উপগ্ৰহটোত, চন্দ্ৰত তো নাই কোনো আৱহ, তাৰ মধ্যাকৰ্ষণো আমাৰ পৃথিৱীৰ মাথোঁ ছভাগৰ এভাগ, তাত নাই কোনো উদ্ভিদ। তেনেহ'লে সৌৰজগতৰ আন কোনো গ্ৰহত? উপগ্ৰহত? কিন্তু কোনটো আছে তেনেকুৱা গ্ৰহ? কিছুমান গ্ৰহ হ'ল অত্যধিক উষ্ণ, যেনে বুধ, বা অতি শীতল, যেনে ইউৰেনাছ আৰু নেপশ্যুন, এইবোৰত অক্সিজেনো নাই, অৰ্থাৎ আমাৰ বাবে মুঠেই বাসোপযোগী নহয়, এইবোৰৰ মধ্যাকৰ্ষণো আমাৰ বাবে উপযোগী নহয়। একমাত্ৰ মংগল গ্ৰহতেই হয়তো প্ৰাণী থকাৰ কথা ভাবিব পাৰি, হয়তো মানুহৰদৰেই প্ৰাণী, কিয়নো মংগল হ'ল যেন পৃথিৱীৰ সৰু ভাই, পৃথিৱীতকৈ চেঁচা, কিন্তু খুব বেছি চেঁচা নহয়, ইয়াৰো দিনবোৰ প্ৰায় ২৪ ঘণ্টা, দুই মেৰুত বৰফ আছে, অ'ত-ত'ত পানী আছে, যিটো হ'ল জীৱনৰ বাবে মূল দ্ৰব্য—কিন্তু ইয়াৰ আৱহত আছে এঙাৰ গেছ, নাই অক্সিজেন, যিটো নহ'লে আমি জীয়াই থাকিব নোৱাৰোঁ—তেনেহ'লে বৃহস্পতি বা শনিৰ কোনো উপগ্ৰহ? কিন্তু হায়, সৌৰজগতৰ কোনো উপগ্ৰহতেইতো অক্সিজেনৰ সন্ধান পোৱা যোৱা নাই...

তেনেহ'লে আমাৰ সৌৰজগতৰ বাহিৰৰ কোনো গ্ৰহ বা উপগ্ৰহত?

*** *** ***

নাজানো, কেনেকৈ। নাজানো কেনেকৈ পালোঁগৈ আমাৰ সৌৰ-প্ৰণালীৰ বাহিৰৰ এই শান্তি-সমতল। আমি জানো যে বিশ্বব্ৰহ্মাণ্ডত তৰা আছে অগণন, আমি জানো—মানে, আমি নাজানো, কিন্তু আমি নিশ্চিত—যে এই অসংখ্য তৰা বা নক্ষত্ৰৰ চাৰিওপিনে আৱৰ্তন কৰি আছে বিভিন্ন সৰু-ডাঙৰ গ্ৰহ-উপগ্ৰহ, অৰ্থাৎ অন্তৰীক্ষত আছে কোটি-কোটি সৌৰজগত, তাৰ কোনো-কোনো গ্ৰহ-উপগ্ৰহত প্ৰাণ আছে, পানী আছে, অক্সিজেন আছে, আছে কোটি-কোটি প্ৰজাতিৰ উদ্ভিদ আৰু জীৱ ৰূপ, য'ত হয়তো লাখ-লাখ বছৰৰ বিৱৰ্তনৰ পাছত উদ্ভৱ হৈছে প্ৰাণী, হয়তো কালৰ অনন্ত সোঁতত সেইবোৰ বিলুপ্ত হৈ গৈছে, যেনেকৈ পৃথিৱীৰপৰা বিলুপ্ত হৈ গৈছে ডাইন'ছৰাছ আৰু টাইৰান'ছৰাছ আৰু বন-মানুহ, হয়তো উদ্ভুত হৈ আছে বা উদ্ভৱ হৈছে বুদ্ধিমান প্ৰাণী, মানুহতকৈ উন্নততৰ চিন্তাশীল প্ৰাণী, উন্নীত হৈছে সভ্যতাৰ উচ্চতম শিখৰলৈ—বিশ্বত হেনো 'গেলেক্সী' বা নক্ষত্ৰ-মহানগৰী আছে ১০ হাজাৰ কোটি, মুঠ নক্ষত্ৰ আছে ৯ কোটি-কোটি নিযুতটা (অৰ্থাৎ ১ৰ পিঠিত ২০টা শূন্য বহুৱালে যিমান হ'ব, তিমানটা), আমি বাস কৰা গেলেক্সীটো হ'ল হাতীপটি, আৰু হাতীপটিতেই আছে ১০ হাজাৰ কোটি তৰা বা 'সূৰ্য', আৰু এই হাতীপটি-অঞ্চলতেই হেনো আছে এক লাখৰপৰা এক নিযুত সংখ্যক উন্নত সভ্যতা, এইবোৰ কেইবাশ আলোকবৰ্ষ দূৰে-দূৰে অৱস্থিত, আৰু এওঁলোক অনাতাঁৰ সংকেত প্ৰেৰণ কৰিবলৈ সক্ষম।

এক আলোকবৰ্ষ মানে পোহৰ এক বছৰত যিমান দূৰ যায় সেই দূৰত্ব। পোহৰৰ বেগ হ'ল ছেকেণ্ডত ১,৮৬,০০০ মাইল আৰু এইটো অনাতাঁৰ তৰংগৰো বেগ (কিয়নো পোহৰো হ'ল অনাতাঁৰ তৰংগৰদৰে এবিধ বিদ্যুৎ চুম্বক তৰংগ)। কিন্তু সূৰ্যৰ পাছতে আমাৰ নিকটতম নক্ষত্ৰটো হ'ল প্ৰক্সিমা চেন্টাউৰী (খালি চকুৰে নেদেখি), পৃথিৱীৰপৰা ৪.২২ আলোকবৰ্ষ দূৰত, অৰ্থাৎ পৃথিৱীৰপৰা পোহৰ (তথা বেতাঁৰ তৰংগ) তালৈ যাবলৈ সময় লাগিব ৪.২২ বছৰ। তাৰপাছত নিকট নক্ষত্ৰ হ'ল আলফা চেন্টাউৰী, যাৰ দূৰত্ব আমাৰপৰা ৪.৩৫ আলোকবৰ্ষ, অৰ্থাৎ ৰেডিঅ' সংকেত বা পোহৰ যাবলৈ সময় লাগিব ৪.৩৫ বছৰ, অৰ্থাৎ ৪ বছৰ ৪ মাহ। মহাকাশযান এখনত উঠি যদি আমি পাৰি দিওঁ, আমি গৈ নাপাম; কিয়নো ছেকেণ্ডত ৫ মাইল (আজিকালি

হয়তো ৯ মাইল) বেগত গ'লেও আমাক সময় লাগিব প্ৰায় ৮০,০০০ বছৰ। অন্য দূৰ গ্ৰহলৈ যাবলৈতো লাগিব আৰু কত লাখ বছৰ।

নাই, আমি নিশ্চয় আমাৰ সৌৰজগত এৰি ক'লৈকো অহা নাই, নিশ্চয় আমাৰ পৃথিৱী এৰিয়েই ক'লৈকো অহা নাই, কিয়নো বাস্তৱত সেইটো সম্ভৱ নহয়। তেনেহ'লে হয়তো কল্পনাতে আহিলোঁ এই সুশীল সমতললৈ? অ, সেইটো সম্ভৱ; শঙ্কৰদেৱেও কৈছে 'মনেসেতে আছে ইটো চৈধ্যই ভুবন', গ্ৰহ-গ্ৰহান্তৰৰ মাজেৰে অনাই-বনাই ঘূৰি ফুৰাৰ আৱশ্যক নাই। আৰু মানসত স্থিৰ হৈ আছে যিখন আমাৰ কাম্যভুবন, আমাৰ তীৰ্থযাত্ৰাৰ লক্ষ্যস্থান, সেইখন হ'ল হাজাৰ আসোঁৱাহ-অসুবিধাৰে আকীৰ্ণ আমাৰ নিজৰখন পৃথিৱী, আমাৰ মাতৃ, আমাৰ ধৰিত্ৰী। ছাত্ৰ-ছাত্ৰীয়ে যেনেকৈ নিজৰ বিশ্ববিদ্যালয়খনক কয় ***alma mater***, সাদৰী আই, তেনেকৈ মানুহৰ বাবে পৃথিৱীখনেই মৰমী মা, ইয়াতেই পাৰিপাৰ্শ্বিকৰ লগত নিজকে খাপ খুৱাই ল'বলৈ, জীৱন-সংগ্ৰামত পৰাভূত নহৈ নিজৰ অস্তিত্ব অটুট ৰাখিবলৈ লাখ-লাখ বছৰ ধৰি ঢাপে-ঢাপে শিক্ষা দিছে ধৰিত্ৰীয়ে, শিক্ষা দিছে, শাস্তি দিছে, মাজে-মাজে হয়তো ধাৰণা হৈছে ধৰিত্ৰী এগৰাকী অতি কঠোৰ শিক্ষয়িত্ৰী, অতি নিৰ্মম, অতি কঠিন হৃদয়, কিন্তু এইবোৰৰ যোগেৰেই যেন অগ্নিপৰীক্ষাত উত্তীৰ্ণ হ'বলৈ মানুহক প্ৰস্তুত কৰাইছে পৃথিৱীয়ে। দূৰ-দূৰান্তৰলৈ পাৰি দিয়ে মহাকাশচাৰীয়ে, কিন্তু তেওঁলোকৰ মহাকাশযানৰ এন্টিনা অৰ্থাৎ আকাশীতাঁৰে সদায় টোঁৱাই থাকে পৃথিৱীৰ পিনে, আলোকীয় দূৰবীণ আৰু ৰেডিঅ'-দূৰবীণ সদায় দিশিত থাকে পৃথিৱীৰ পিনে—অভিযাত্ৰী আৰু পৃথিৱীৰ মাজত ক্ৰমশঃ বাঢ়ি যায় ব্যৱধান, কিন্তু অবিচল থাকে অনাতাঁৰ সংকেত আৰু দূৰবীণৰ দিশ, মাতৃ আৰু সন্তানৰ মাজত এডাল অবিচ্ছেদ্য সংযোগ ৰেখা। অন্তৰীক্ষত বহু দিন কটাই মধ্যাকৰ্ষণৰ বাহিৰৰ মহাকাশ কেন্দ্ৰত সুদীৰ্ঘ কাল পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰি অৱশেষত নিজৰ ধৰণীৰ বায়ুমণ্ডল আৰু মধ্যাকৰ্ষণলৈ প্ৰত্যাৱৰ্তন কৰি যেন স্বস্তিৰ নিশ্বাস পেলায় নভোচৰীয়ে, যেন ছিন্নমূল প্ৰবাসী উভতি আহে নিজৰ ঘৰলৈ। যিমানেই কষ্টকৰ নহওক মানৱ-জীৱন, যিমানেই অসহনীয় সংঘাতেৰে পূৰ্ণ নহওক মানুহৰ স্থিতি, নিজৰ ঘৰ মানে নিজৰ ঘৰ। বিশাল নভোমণ্ডলৰ নক্ষত্ৰ নীহাৰিকাৰ গান মানুহে শুনিছে, কিন্তু তাত পোৱা নাই তেওঁলোকৰ প্ৰাণৰ স্পন্দন, মানুহে নিজৰ দ্বন্দ্ব আৰু আকুলতাৰ ছন্দেৰে নিজেই ৰচনা কৰি লৈছে তেওঁলোকৰ বাবে সুসংগত জীৱন-সংগীত। বিৱৰ্তনৰ সোঁতত আহিছে 'চেতনা' আৰু 'বুদ্ধি', আহিছে দাৰ্শনিক আৰু বিজ্ঞানী, আহিছে কবি আৰু শিল্পী, আহিছে বে'থ'ফেন—'প্ৰধানতঃ দুখ আছে', বে'থফে'ন প্ৰসংগত এঠাইত পঢ়িছোঁ, 'কিন্তু সেই দুখ ভেদ কৰি আনন্দৰ ইংগিতো আছে...এয়া জীৱনৰ সাৰ্বজনীন পৰিস্থিতি, এয়া তাৰ সাংগীতিক অভিব্যক্তি। তেওঁ সংগীতত ৰূপায়িত কৰিলে তোমাৰ-মোৰ হৃদয়জ্বালা আৰু তোমাৰ-মোৰ হাঁহি। অন্যায় আছে, অবিচাৰ আছে, অকাৰণ দুৰ্ভাগ্য, যুক্তিহীন কষ্ট, কিন্তু অ, জীৱন আছে, যৌৱন আছে, অবিচল কঠোৰ প্ৰচেষ্টা আছে, উঠিব লাগিব...সমালোচকে কৈছে, হাইড্‌ন্ আৰু মৎচাৰ্টে সংগীতক যি ওখ বেদীত স্থাপন কৰি থৈ গৈছিল, তেওঁ সংগীতক তাৰপৰা নমাই আনিলে, সংগীতৰ মসৃণতা, কোমলতা তেওঁ খণ্ড-বিখণ্ড কৰি তাক জীৱনৰ খহটা ৰুক্ষ কঠিনতাৰ সাঁচত গঢ় দিলে, সংগীতক তেওঁ জীৱনৰ চাকনৈয়াত নিমজ্জিত কৰি দিলে—'

মৰমী মাতৃয়েই কি আমাক পৃথিৱীৰ পিনে টানি আছে, বে'থ'ফেনেই কি আমাক পৃথিৱীৰ পিনে টানি আছে?

*** *** ***

নাজানো, কিয়। নাজানো কিয় আমাৰ কল্পলোকলৈ আহিল দেৱদাৰুগছৰ এই সহৃদয় সমতল। হয়তো অ'ত-ত'ত পঢ়িবলৈ পোৱা বাক্য কিছুমানেই জন্ম দিছে এনেবোৰ কল্প-সম্ভাবনাৰ, এনেবোৰ অভীপ্সাৰ। স্কটলেণ্ডৰ এজন লেখক ড° পল ব্ৰুন্টন (***Dr Paul Brunton***) গৈছে হিমালয়লৈ, তেহ্‌ৰি গাঢ়ৱাল অঞ্চলৰ হিমালয়ৰ ওপৰত পাইছে ব্ৰিটিছৰ দিনৰ বনবিভাগৰ এটা সৰু অব্যৱহৃত পৰিদৰ্শন বঙলা, তাত গৈ তেওঁ আশ্ৰয় লৈছে, হিমালয়ৰ বিস্তৃত বৰফ আৰু নিৰ্জনতাত, শীত আৰু দেৱদাৰু বনানিৰ মাজত তেওঁ ভাৰতীয় ঋষি-মুনিৰদৰে ধ্যান অভ্যাস কৰিব—সেই দিনবোৰ বৰ্ণাই তেওঁ এখন কিতাপ লিখিছে (***A Hermit in the Himalays***), তেওঁ লিখিছে যে তেওঁ যিটো শিলৰ ওপৰত বহি-বহি ধ্যান কৰে আৰু ৰাতি আকাশৰ তৰাবোৰৰ চলাচল চায়, তাৰ সমুখতে এজোপা দেৱদাৰু, যেন তেওঁক নিৰীক্ষণ কৰি থাকে, মাজে-মাজে তেওঁ গছজোপাৰ লগত কথা পাতে, হয়তো সোধে, 'কথাটো এনেকুৱা এনেকুৱা, নহয়নে, অ' দেৱদাৰু?' আৰু দেৱদাৰুজোপাই তেতিয়া তেওঁৰ পিনে সামান্য হালি যেন মূৰ দুপিয়াই 'হয়' বুলি উত্তৰ দিয়ে, নহ'লে হয়তো ইপিনৰপৰা সিপিনলৈ আন্দোলিত হৈ যেন মূৰ লৰায়, যেন কয় 'নহয়'...তেওঁ তাত আৰু লগ পাইছে গিৰিশৃংগ-আবৃত এঠাইত এজন ধ্যানস্থ তপস্বী, দিনৰ পাছত দিন একে ঠাইতে বহি আছে দিনৰ ৰ'দত, ৰাতিৰ আন্ধাৰত, ধুমুহা-বৰষুণ আৰু প্ৰবল তুষাৰপাতৰ মাজত, অবিচল, নিৰ্লিপ্ত, যেন এইবোৰে তেওঁক স্পৰ্শই নকৰে, লেখকৰ মনলৈ আহিছে *গীতাত* বৰ্ণিত 'স্থিতপ্ৰজ্ঞ' ব্যক্তিৰ

কথা, যি উঠিছে ‘বিপৰীত যুগ্মৰ ওপৰলৈ’, অৰ্থাৎ সুখ-দুখ, হৰ্ষ-বিষাদে যাক প্ৰভাৱিত নকৰে, শীত-তাপে যাক বিচলিত নকৰে, সকলো পৰিস্থিতিতে অটল আৰু নিস্পৃহ...হয়তো সেইবোৰ বৰ্ণনাই মোৰ কল্পনালৈ আনিছে দেৱদাৰুৰ ছবি, দেৱদাৰু সদৃশ কোনো সচেতন উদ্ভিদৰ ধাৰণা, যাৰ ‘প্ৰাণ’ আছে, ‘বুদ্ধি’ আছে, যি আমাৰ অভিজ্ঞতাৰ অগোচৰ কোনো প্ৰচ্ছন্ন জীৱন-ৰূপ...বৈজ্ঞানিকেও হেনো কল্পনা কৰিছে এনেকুৱা জীৱন-ৰূপ, যাৰ ‘মন’ দেহৰপৰা মুক্ত, যি ‘মন’ ক্ষয়িষ্ণু আৰু ভংগুৰ দেহৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল নহয়, হিমালয়ৰ এই তপস্বীজনৰদৰে...এঠাইত পঢ়িছোঁ যে ‘...ভাইকিং, ভয়েজাৰ আদিৰ স্বয়ংক্ৰিয় অন্বেষকবোৰে, ভৰিষ্যতৰ মহাকাশ অভিযাত্ৰীসকলে হয়তো কোনো দিনেই বিচাৰি নাপাব পৃথিৱীলেখীয়া কোনো মানুহ, বা পৃথিৱীলেখীয়া ৩০ কোটি জীৱন-ৰূপৰ কোনো এটা। তেওঁলোকে যি পাব, সেয়া হয়তো হ’ব পাৰে এনেধৰণৰ জীৱন, যি সম্পূৰ্ণ অ-পাৰ্থিৱ (অৰ্থাৎ পদাৰ্থবিহীন, অ-বস্তু), হয়তো যি সম্পূৰ্ণ ইন্দ্ৰিয়াতীত। হয়তো এনেকুৱা জীৱন-ৰূপ (এয়া...আৰ্থাৰ চি. ক্লাৰ্কৰ আকাশচুম্বী ভৱিষ্যকল্পনা), যি জীৱন-ৰূপত কোনো অত্যুচ্চ সভ্যতাই সকলো ধৰ্মৰ চৰম লক্ষ্য বাস্তৱায়িত কৰিছে ঃ দেহৰ কাৰাৰপৰা ‘আত্মা’ক মুক্ত কৰিছে, বস্তুৰ পিঞ্জৰৰপৰা মনক বিযুক্ত কৰিছে—অৰ্থাৎ যি জীৱন-ৰূপত ‘মন’ বা ‘বুদ্ধি’ দুৰ্ঘটনাপ্ৰৱণ, জৰা-ব্যাধি-মৃত্যুৰ বশীভূত কোনো শৰীৰৰ ওপৰত নিৰ্ভৰশীল নহয় (এনেকি আমাৰ পৃথিৱীতে এই দিশে ইতস্ততঃ সৰু-সৰু পদক্ষেপ আমি কৰিবলৈ ধৰিছোঁ ঃ দেহৰ অংগ-প্ৰত্যংগ-ৰক্ত-মাংস বিচ্যুত কৰিব ধৰিছে কৃত্ৰিম দেহাংশই—প্লাষ্টিকৰ হৃদয়, নাইলনৰ স্নায়ু, ৰবৰৰ হাওঁফাওঁ, ইলেক্ট্ৰনিক চকু, ‘বায়নিক’ কাণ, কৃত্ৰিম ছাল, কৃত্ৰিম তেজ...কালক্ৰমে এইবোৰৰ স্থান ল’ব হয়তো বিজুলীপ্ৰৱাহে, চৌম্বকক্ষেত্ৰই, লে’জাৰ-তৰংগই, অৰ্থাৎ ক্ৰমান্বয়ে পদাৰ্থবস্তুৰপৰা তৰংগই, শক্তিক্ষেত্ৰই...)’

*** *** ***

নাজানো, এতিয়া কি, এতিয়া ক’লৈ। নাজানো কিমান সময় পাৰ হৈ গৈছে, ধাৰণা হয় যেন দিন শেষ হৈ আহিছে, হয়তো এতিয়া এন্ধাৰ হ’ব, আকাশত তৰা ফুটিব, নক্ষত্ৰপুঞ্জৰ ৰাশিচক্ৰবোৰৰপৰা বুজিব পাৰিম এতিয়া ক’ত আছোঁ—কিন্তু আকাশ তেনেকৈয়ে আছে, কোনো জ্যোতিষ্ক দেখা নাযায়, বুজাৰ উপায় নাই আকাশত আছে আমাৰেই সূৰ্যটো নে আন কোনো নক্ষত্ৰ। বহাৰপৰা উঠি থিয় দিছোঁ, থিৰ কৰিব পৰা নাই এই নিশ্চিন্ত নিৰুদ্বেগ নৈসৰ্গৰ পৰিপূৰ্ণ প্ৰশান্তিতে থাকি যাম ইয়াতে, নে ইয়াত থাকি যাবলৈ মোৰ যোগ্যতা নাই, এই পুৰস্কাৰ মই অৰ্জন কৰা নাই। লাহে-লাহে যেন কিবা এটা সংশয়ে চিত্ত চঞ্চল কৰি আনিছে, যেন অন্তৰৰপৰা কিহবাই কৈছে যে এতিয়াও সময় হোৱা নাই, তোমাক এটা পূৰ্বাভাস দেখুওৱা হৈছে মাত্ৰ, তাৰ বাবে তুমি নিজকে প্ৰস্তুত কৰা, উভতি যোৱা—কিন্তু উভতি যাম ক’লৈ? যদি এইখন আমাৰেই পৃথিৱীৰ এতিয়ালৈকে অনাৱিষ্কৃত আৰু অজ্ঞাত দৃশ্যপট, তেনেহ’লেতো—কিন্তু নহয়, এইখনো আমাৰ পৃথিৱী যদিও, বাস্তৱত এইখন আমাৰ পৃথিৱী নহয়, আমাৰ আকাশীতাঁৰে যিপিনে টোঁৱাই আছে অবিচলভাৱে, সেইপিনেই আমাৰ পৃথিৱী, আমাৰ আলোকীয় দূৰবীণ আৰু অনাতাঁৰ দূৰবীণত দেখা গৈ আছে মেঘ আৰু কুঁৱলিয়ে আবৰা যিটো সেউজ-নীলাভ ঘূৰ্ণীয়মান গোলক, সেয়াই আমাৰ পৃথিৱী, আমাৰ মাতৃভূমি, আমাৰ ধৰিত্ৰী। সমুখৰ দেৱদাৰুকেইজোপাৰ পিনে চালোঁ, তাৰ পাতবোৰ মোৰ পিনে হালি আহি যেন স্মিতহাস্যে মূৰ দোঁৱালে, যেন ক’লে, ‘অ, এইটোৱেই উচিত সিদ্ধান্ত—তোমাৰ মংগল হওক—বিদায়—বিদায়’, তাৰপাছত শাখা-প্ৰশাখাবোৰ আকৌ যথাস্থানলৈ ঘূৰি গৈ স্থিৰ হৈ ৰ’ল।

মযো একদৃষ্টে চাই ৰ’লোঁ ৰেডিঅ’ দূৰবীণৰ দিগ্‌দৰ্শক ৰেখাই দিশিত কৰি দিয়া আমাৰ সংঘাত-সংকুল গোলকটোৰ পিনে, যেন পৰম পুলকৰ প্লাৱনে পৰশি গ’ল প্ৰাণ-মন, বুজিলোঁ যে আমি উভতি যামগৈ আমাৰ মৰমী মাৰ কোলালৈ, আমি শুনিমগৈ বে’থ’ফে’ন।

........................................................

প্ৰথম প্ৰকাশ ঃ **সাতসৰী**, ১৬-৩১ ২০০৮